# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 25-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসম বিধানসভাৰ ১৫ দিনীয়া বাজেট অধিবেশন আজিৰ পৰা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বিটিচি বিধায়িনী ভৱনত ৰাজ্যপালৰ ভাষণেৰে বাজেট অধিৱেশন আৰম্ভ হয়। ইয়াৰ পাছত ১৯ ফেব্ৰুৱাৰীৰ পৰা অধিৱেশনৰ কাৰ্যসূচীসমূহ দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হয়। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এইবাৰৰ বাজেট অধিৱেশনত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ৰাজ্যিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, অসম ক'চিং ইনষ্টিটিউট নিয়ন্ত্ৰণ আৰু নিয়মাৱলী বিধেয়ক আৰু তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপন বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণি আৰু অসমলৈ দেশী-বিদেশী বিনিয়োগকাৰীৰ বিনিয়োগৰ প্ৰস্তাৱ সম্পৰ্কেও সদনত বিবৃতি দিয়ে। অসম বিধানসভাই এইবাৰৰ অধিৱেশনতে ভাৰতীয় ক্ৰিকেট দলৰ চেম্পিয়নছ ট্ৰফী লাভ আৰু অসম সন্তান দেৱজিত শইকীয়া বিচিচিআইৰ সচিবৰূপে নিৰ্বাচিত হোৱাকে ধৰি কেইবাটাও সফলতাৰ বাবে অভিনন্দনসূচক প্ৰস্তাৱ গ্ৰহণ কৰে।

oooo

অসম বিদ্যুৎ নিয়ামক আয়োগে অহা ১ এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱাকৈ সাধাৰণ গ্ৰাহক আৰু জীৱনধাৰা আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত বিদ্যুৎ মাছুল এটকাকৈ হ্ৰাস কৰাৰ নিৰ্দেশ দিছে। আন সকলো গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত ২৫ পইচাকৈ বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ নিৰ্দেশ দিছে। অসম বিদ্যুৎ নিয়ামক আয়োগে সাধাৰণ গ্ৰাহক, বিদ্যুতৰ উৎপাদন, বিতৰণ আৰু গ্ৰীডৰ তিনিওটা কোম্পানীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰিখ নিৰ্ধাৰণ কৰিছে। ইয়াৰ পূৰ্বে আয়োগে সংশ্লিষ্ট সকলো পক্ষৰে মতামত গ্ৰহণ কৰাৰ উপৰি যোৱা ১২ মাৰ্চত আয়োগৰ কাৰ্যালয়ত ৰাজহুৱা শুনানিও গ্ৰহণ কৰিছিল।

oooo

শিশু বিজ্ঞান সভাৰ লেখিয়া বিকাশমূলক কাৰ্যসূচীয়ে মুকলি প্ৰকল্পৰ জৰিয়তে বৈজ্ঞানিক অন্বেষনত উদগণি যোগায়। গুৱাহাটীৰ শিল্পগ্ৰামত আজি অনুষ্ঠিত ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত আয়োজিত বিজ্ঞান গৱেষণা শিশু বিজ্ঞান সভাৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইকথা প্ৰকাশ কৰে। সমগ্ৰ অসম আৰু অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদে আয়োজন কৰা এই সভাত ৰাজ্যৰ সকলো জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে ২৮২ টাতকৈও অধিক প্ৰকল্প উপস্থাপন কৰে।

oooo

লখিমপুৰ জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আজি জিলাখনৰ দিজু চাহ বাগিচাৰ গজধৰ কুৰ্মী মডেল স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাল্য বিবাহ সন্দৰ্ভত এখন বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে বাল্য বিবাহৰ কাৰণ, সমাজত ইয়াৰ প্ৰভাৱ, বাল্য বিবাহ প্ৰতিৰোধ আইনৰ অধীনত শাস্তিমূলক ব্যৱস্থা আদি সম্পৰ্কত নিজৰ বক্তব্য আগবঢ়ায়। এনেধৰণৰ প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যুক্তিসহকাৰে কথা কোৱাৰ দক্ষতা বৃদ্ধিৰ উপৰি বাল্য বিবাহৰ দৰে সামাজিক ব্যাধিসমূহ দূৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰিব বুলি শিশু সুৰক্ষা বিষয়াই প্ৰকাশ কৰে।

০০০০

গুৱাহাটীৰ জনাৰ্দন দেৱালয়ৰ বালিচন্দা সংঘই অহা ৮ এপ্ৰিলত সদৌ অসম ভিত্তিত কামৰূপী লোকগীত প্ৰতিযোগিতাৰ আয়োজন কৰিছে। দুটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাৰ নিম্ন শাখাত ১৪ বছৰ অনুৰ্ধ আৰু উচ্চ শাখাত ১৪ বছৰ ঊৰ্ধৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীয়ে এই বিষয়ে সবিশেষ জানিবলৈ বালিচন্দাৰ সম্পাদকৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলি এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০

কাছাৰ আৰক্ষীয়ে আজি নিচেই পুৱা অভিযান চলাই অসম-মিজোৰাম সীমান্তৱৰ্তী ৰাজগোবিন্দপুৰৰ এটা বাসগৃহৰ পৰা প্ৰায় ৬৬ হাজাৰ টা নিচাযুক্ত য়াবা টেবলেট উদ্ধাৰ কৰে। এই টেবলেটখিনিৰ মূল্য ২০ কোটি টকা হব বুলি অনুমান কৰা হৈছে। এই ঘটনা সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সযোগে এইকথা প্ৰকাশ কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হবলগীয়া এখন খেলত ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ-কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰগৰাকীৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। ইতিমধ্যে গুৱাহাটীত আহি উপস্থিত হোৱা দুয়োটা দলৰ খেলুৱৈসকলে আজি বৰ্ষাপাৰাত অনুশীলন কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক আজিংক্য ৰাহানে, স্পীনাৰ বৰুণ চক্ৰৱৰ্তীসহ আন আন খেলুৱৈসকলে আজি কামাখ্যা মন্দিৰ দৰ্শন কৰি মা-ৰ আশিস লয়।

একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিং'ছে-গুজৰাট টাইটানছক জয়ৰ বাবে ২৪৪ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত পাঞ্জাৱ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৪৩ ৰাণ সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ